অধ্যায় ১২ ঃ যাজ্ঞৱল্ক্যস্মৃতি ঃ ব্যৱহাৰ-অধ্যায় ঃ ঋণাদানপ্ৰকৰণ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ মূলপাঠ (২০ টা শ্লোক)

১২.৪ ঋণাদান ঃ সংক্ষিপ্ত আলোচনা

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৬ অধিক জানিবলৈ

১২.৭ অগ্ৰগতিৰ খতিয়ান

১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্ৰাচীন ভাৰতীয় বিচাৰ ব্যৱস্থাৰ লগত পৰিচয় হ'ব পাৰিব
- যাজ্ঞৱল্ক্যস্মৃতি অনুসৰি 'ব্যৱহাৰ'ৰ লগত চিনাকী হ'ব পাৰিব
- ঋণদান তথা ঋণ-আদায় প্ৰক্ৰিয়াৰ জ্ঞান লাভ কৰিব
- ঋণৰ সুদ ব্যৱস্থাৰ বিষয়ে অবগত হ'ব পাৰিব
- কোনবোৰ সুদ দেয়, কোনবোৰ অদেয় জানিব পাৰিব
- প্ৰতিভূ, আধি আদি বিষয়ৰ জ্ঞান লাভ কৰিব।

১২.২ পৰিচয়

আচাৰ্য যাজ্ঞৱল্ক্যৰ 'যাজ্ঞৱল্ক্যসংহিতা'ত তিনিটা অধ্যায় আছে— আচাৰ, ব্যৱহাৰ আৰু প্ৰায়শ্চিত্ত অধ্যায়। ব্যৱহাৰ অধ্যায়ত ২৫টা প্ৰকৰণ পোৱা যায়। 'ব্যৱহাৰ' শব্দটোৰ অৰ্থ হৈছে— বিচাৰ পদ্ধতি (Judicial Procedure)। ব্যৱহাৰৰ ১৮টা (যাজ্ঞবল্ক্যৰ মতে ২০টা) পদ আছে (title of the law) ইয়াৰ ভিতৰত প্ৰথমটোৱেই হৈছে ঋণাদান। ঋণাদান মানে হৈছে ঋণদান তথা ঋণ গ্ৰহণৰ পদ্ধতি। উত্তমৰ্ণ অৰ্থাৎ ঋণ দিয়াজনে কেনেদৰে, কোন সময়ত, কোন স্থানত ঋণদান কৰিব তথা কেনেদৰে ঋণৰ ধন ঘূৰাই পাব, ধন ঘূৰাই নাপালে সবন্ধক তথা অবন্ধক ঋণৰ ক্ষেত্ৰত কিমান টকা সুদ হ'ব— এই বিষয়বোৰৰ আলোচনা ঋণাদান প্ৰকৰণত পোৱা যায়। তাৰোপৰি অধমৰ্ণই, অৰ্থাৎ যিজনে ঋণ গ্ৰহণ কৰে, কেনেদৰে ঋণ পৰিশোধ কৰিব, কোনবোৰ ঋণ পৰিশোধ কৰিব নালাগে, কোন কোন ঋণ পৰিশোধৰ অধিকাৰী অৰ্থাৎ ঋণ প্ৰদানৰ লগত সংলগ্ন ব্যক্তি, কোন সময়ত ঋণ পৰিশোধ কৰিব লাগিব, কিদৰে ঋণ পৰিশোধ কৰা যাব— এই

বিষয়সমূহো এই প্ৰকৰণটোত সামৰা হৈছে।

এই অধ্যায়টিৰ জৰিয়তে আপুনি প্ৰাচীন ভাৰতীয় স্মৃতি শাস্ত্ৰ 'যাজ্ঞৱল্ক্যস্মৃতি'ত উল্লেখ কৰা ধৰণে ঋণ আদান-প্ৰদান ব্যৱস্থাটোৰ লগত পৰিচয় হ'ব পাৰিব। ঋণ দিয়াৰ নিয়মসমূহ তথা ঋণ ওভতাই দিয়াৰ নিয়মসমূহ আপুনি জানিব পাৰিব। ইয়াত মুঠ ২০টা শ্লোক আলোচনা কৰা হৈছে। এই অধ্যায়টোত মুঠ ২৮ শ্লোক আছে।

১২.৩ মূলপাঠ (২০ টা শ্লোক)

সুদৰ হাৰ

মূলপাঠ ঃ অশীতিভাগো বৃদ্ধিঃ স্যান্ মাসি মাসি সবন্ধকে।
বৰ্ণক্ৰমাচ্ছতং দ্বিত্ৰিচ্তুষ্পঞ্চকম্ অন্যথা।।১।।

অসমীয়া অনুবাদ ঃ সবন্ধক ঋণৰ (loan on mortgage) ক্ষেত্ৰত বৃদ্ধি বা সুদ প্ৰতিমাহে হ'ব আশীভাগৰ এভাগ। আনহাতে অন্য ঋণৰ ক্ষেত্ৰত (য'ত বন্ধক ৰখা নহয়), ব্ৰাহ্মণকে আদি কৰি চাৰিটা বৰ্ণৰ ক্ষেত্ৰত যথাক্ৰমে শতকৰা দুই, তিনি, চাৰি আৰু পাঁচভাগ সুদ হ'ব।

টোকা ঃ ঋণাদান প্ৰকৰণৰ আৰম্ভণিতেই উত্তমৰ্ণৰ ঋণদানৰ নিয়মসমূহ আলোচনা কৰা হৈছে। উত্তমৰ্ণৰ ঋণ দিয়াৰ নিয়ম প্ৰথমতে কোৱাৰ কাৰণ হৈছে ঋণদানৰ অন্য নিয়মসমূহ ইয়াৰ ওপৰতেই নিৰ্ভৰশীল।

উত্তমৰ্ণ ঃ ঋণ আদান-প্ৰদানৰ ক্ষেত্ৰত যিজনে ঋণ দিয়ে, তেওঁ হ'ল উত্তমৰ্ণ আৰু যি জনে ঋণ লয়, তেওঁ হৈছে অধমৰ্ণ।

উত্তমৰ্ণই টকা ধাৰলৈ দিলে সেই পৰিমাণ টকাৰ শতকৰা কিছু অংশ সুদ হিচাপে উত্তমৰ্ণক দিয়া হয়। ইয়াতে ইয়াক 'বৃদ্ধি শব্দৰ দ্বাৰা বুজোৱা হৈছে। এই বৃদ্ধিকেই কোৱা হৈছে ধৰ্ম অৰ্থাৎ বৃদ্ধি বা সুদ গ্ৰহণ ধৰ্মানুসৰিয়েই কৰা হয়। ইয়াতে কাৰ ক্ষেত্ৰত কিমান টকা সুদ হিচাপে গ্ৰহণ কৰা হ'ব, সেই কথা কোৱা হৈছে।

ঋণ দুই প্ৰকাৰৰ হ'ব পাৰে— অবন্ধক আৰু সবন্ধক। সবন্ধক ঋণ হ'ল সেইটোৱেই য'ত ঋণ গ্ৰহণৰ সময়ত বিশ্বাস জন্মাবলৈ কোনো মূল্যৱান দ্ৰব্য বন্ধক ৰূপে থোৱা হয়। আধান কৰা হয় কাৰণে, ইয়াকে কোৱা হয় আধি। যি ঋণ গ্ৰহণৰ সময়ত বন্ধক বা আধি ৰখা নহয়, তাক কোৱা হয় অবন্ধক ঋণ। সবন্ধক ঋণৰ ক্ষেত্ৰত বন্ধক ৰূপে স্থাপিত দ্ৰব্যৰ মূল্যৰ আশীভাগৰ এভাগ বৃদ্ধি অৰ্থাৎ সুদ ৰূপে গণ্য হ'ব।

বিশেষ বিশেষ গ্ৰহীতাৰ ক্ষেত্ৰত বৃদ্ধিৰ নিয়ম ঃ

মূলভাগ ঃ কান্তাৰগাস্তু দশকং সামুদ্ৰা বিংশকং শতম্।
দদ্যুৰ্বা স্বকৃতাং বৃদ্ধিং সৰ্ৱে সৰ্বাসু জাতিষু ।। ২।।

অসমীয়া অনুবাদ ঃ দুৰ্গম অৰণ্যলৈ ব্যৱসায়ৰ বাবে যিজনে যায়, তেওঁ শতকৰা দহভাগ সুদ দিব লাগিব। যিজনে সমুদ্ৰলৈ (ব্যৱসায়ৰ বাবে) যায়, তেওঁ বিশভাগ (প্ৰতিমাহে)

সুদ দিব লাগিব (অৰণ্য তথা সমুদ্রত প্রাণ আৰু ধনৰ নাশৰ আশংকা থকা কাৰণে সুদৰ হাৰ বর্দ্ধিত কৰা হৈছে)। স্বকৃত বৃদ্ধি বা কাৰিতা বৃদ্ধিৰ ক্ষেত্রত ব্রাহ্মণ প্রভৃতি সকলো জাতিৰ মানুহেই নিজে অঙ্গীকৃত সুদ দিব লাগিব।



জানি থোৱা ভাল

কাৰিতা বৃদ্ধি ঃ আচার্য্য নাৰদে বৃদ্ধি অর্থাৎ সুদ চাৰি প্রকাৰৰ বুলি কৈছে— ১। কালিকা, ২। কায়িকা, ৩। কাৰিতা, ৪। চক্রবৃদ্ধি। সুদ যদি প্রতি মাহে দিয়া হয়, তাকে কালিকা বৃদ্ধি বোলে। যদি সুদৰ অর্থ মাহটোৰ প্রতিদিনত ভাগ কৰি প্রতিদিনে দিয়া হয়, সেয়াই হৈছে কায়িকা বৃদ্ধি। যি সুদ অধমর্ণই নিজে উত্তমর্ণৰ লগত কথা পাতি স্থিৰ কৰি লয়, সেয়াই হৈছে কাৰিতা বৃদ্ধি। আনহাতে, বৃদ্ধিৰ বৃদ্ধিকে (সুদৰ সুদ) চক্রবৃদ্ধি বোলে। মাহে মাহে বা বছৰে বছৰে সুদ নিদিয়াৰ ফলত সুদৰ ওপৰত যি সুদ ধৰা হয়, তাকেই চক্রবৃদ্ধি বোলে।

দ্রব্যবিশেষৰ বৃদ্ধিত সুদৰ বিশেষ প্রকাৰ ঃ

মূলপাঠ ঃ সন্ততিস্তু পশুস্ত্রীণাং ৰসস্যাষ্টগুণা পৰা।
বস্ত্রধান্যহিৰণ্যানাং চতুস্ত্রিদ্বিগুণা পৰা।। ৩।।

সন্ধি বিচ্ছেদ ঃ সন্ততিঃ + তু ... ৰসস্য + অষ্টগুণা ... বস্ত্র - ধান্য - হিৰণ্যানাং ... চতুঃ - ত্রি - দ্বিগুণা।

অসমীয়া অনুবাদ ঃ অধমর্ণৰ দ্বাৰা বন্ধকৰূপে স্থাপিত স্ত্রীপশুৰ (female animal, যেনে গৰু)। সুদ স্বৰূপ।
আনহাতে তৈল, ঘৃত আদি ৰসদ্রব্য যদি দীর্ঘকাল সুদ নিদিয়াকৈ বন্ধকত ৰাখে, তেনেহ'লে এই দ্রব্যৰ সুদ হ'ল এই দ্রব্যসমূহৰ মূল্যৰ আঠগুণ। আৰু বস্ত্র, ধান তথা সোণ এইবোৰ দ্রব্যৰ সুদ হ'ল যথাক্রমে এই দ্রব্যৰ মূল্যৰ চাৰি, তিনি আৰু দুই গুণ (এই দ্রব্যসমূহৰ সুদ এই পর্যন্তই হ'ব, ইয়াতকৈ বেছি নহয়।)

ঋণ প্রয়োগধর্ম ঃ

মূলপাঠ ঃ প্রপন্নং সাধয়ন্নর্থং ন বাচ্যো নৃপতের্ভৱেৎ।
সাধ্যমানো নৃপং গচ্ছন্ দণ্ড্যো দাপ্যশ্চ তদ্ ধনম্।। ৪।।

সন্ধি-বিচ্ছেদ ঃ সাধয়ন্ + অর্থং ... নৃপতেঃ + ভৱেৎ।

অসমীয়া অনুবাদ ঃ অধমর্ণক প্রদত্ত ঋণৰ অর্থ (ধন) (সময় সীমা অতীত হ'লে) উত্তমর্ণই যদি আদায়ৰ চেষ্টা কৰে, তেনেহ'লে ৰজাই সেইটো বাধা নিদিয়ে। উত্তমর্ণই অর্থ ঘুৰাই বিচাৰিলে, অধমর্ণই যদি বিচাৰৰ বাবে ৰজাৰ ওচৰলৈ যায়, তেনেহ'লে ৰজাই অধমর্ণক দণ্ড দিব তথা তাৰ দ্বাৰাই উত্তমর্ণৰ ধন পৰিশোধ কৰাব।

মূলপাঠ ঃ গৃহীতানুক্রমাদ্ দাপ্যো ধনিনামধমর্ণিকঃ।
দত্ত্বা তু ব্রাহ্মণায়ৈৱ নৃপতেস্তদনন্তৰম্।। ৫।।

সন্ধি-বিচ্ছেদ ঃ গৃহীত + অনুক্রমাদ্ ... ধনিনাং + অধমর্ণিকঃ...
ব্রাহ্মণায় + এৱ ... নৃপতেঃ + তদ্ + অনন্তৰম্।

অসমীয়া অনুবাদ ঃ যদি সমান জাতীয় বহুত উত্তমর্ণৰ পৰা অধমর্ণই ঋণ গ্রহণ কৰে, তেনেহ'লে ৰজাই সেই পূর্ব পূর্ব উত্তমর্ণৰ অর্থ প্রথমে প্রথমে পৰিশোধ কৰাব (অর্থাৎ বহুজনৰ পৰা ধাৰ ললে প্রথমতে লোৱাজনৰ ঋণ প্রথমে পৰিশোধ কৰিব।) আনহাতে ভিন্ন জাতীয় বহু উত্তমর্ণৰ ক্ষেত্রত ৰজাই ব্রাহ্মণাদি বর্ণৰ ক্রম অনুসৰি ঋণ পৰিশোধ কৰাব। ব্রাহ্মণ উত্তমর্ণৰ ঋণ পৰিশোধ কৰাৰ পিছত ৰজা অর্থাৎ ক্ষত্রিয়ৰ প্রাপ্ত ধন পৰিশোধ কৰিব লাগিব।

মূলপাঠ ঃ ৰাজ্ঞাধমর্ণিকো দাপ্যঃ সাধিতাদ্ দশকং শতম্।।
পঞ্চকং চ শতং দাপ্যঃ প্রাপ্তর্থো হ্যুত্তমর্ণিক।। ৬।।

সন্ধি-বিচ্ছেদ ঃ ৰাজ্ঞঃ + অধমর্ণিকঃ ... হি + উত্তমর্ণিকঃ।

অসমীয়া অনুবাদ ঃ (উত্তমর্ণ ঋণৰ ধন আদায় কৰিবলৈ অসমর্থ হ'লে) ৰজাই অধমর্ণৰ দ্বাৰা স্বীকৃত অর্থ পৰিশোধ কৰাব। এই ক্ষেত্রত শতকৰা দহভাগ তেওঁ (অধমর্ণই) ৰজাক দণ্ড স্বৰূপে দিব লাগিব। উত্তমর্ণয়ো অর্থ ঘুৰাই পোৱাৰ পিছত ৰজাক শতকৰা পাঁচভাগ দান (বিচাৰৰ খৰচ হিচাপে) দান কৰিব।

মূলপাঠ ঃ হীনজাতিং পৰিক্ষীণম্ ঋণার্থং কর্ম কাৰয়েৎ।।
ব্রাহ্মণস্তু পৰিক্ষীণঃ শনৈর্দাপ্যো যথোদয়ম্।। ৭।।

অসমীয়া অনুবাদ ঃ অধমর্ণ যদি ধনহীন হয় তথা উত্তমর্ণতকৈ হীন জাতিৰ হয়, তেনেহ'লে ঋণ পৰিশোধৰ বাবে উত্তমর্ণই তেওঁৰ দ্বাৰা কাম কৰাব। আনহাতে অধমর্ণ যদি ধনহীন ব্রাহ্মণ হয়, তেনেহ'লে তেওঁৰ পৰা যথাসম্ভৱ ধীৰে ধীৰে ঋণ আদায় কৰিব।

মূলপাঠ ঃ দীয়মানং ন গৃহ্নাতি প্রযুক্তং যঃ স্বকং ধনম্।
মধ্যস্থস্থাপিতং চেৎ স্যাদ্ বর্ধতে ন ততঃ পৰম্।। ৮।।

অসমীয়া অনুবাদ ঃ অধমর্ণই (debtor) ঋণ পৰিশোধ কৰিবলৈ ইচ্ছুক হ'লেও উত্তমর্ণই (creditor) যদি (অধিক সুদ পোৱাৰ লোভত) সেই ধন গ্রহণ নকৰে, তেনেহ'লে সেই ধন মধ্যস্থ ব্যক্তিৰ (an umpire) ওচৰত ৰাখিব লাগিব। ইয়াৰ ফলস্বৰূপে (সেই স্থাপন কৰা দিনৰ পৰা) সেই ধনৰ সুদ বৃদ্ধি নহ'ব।

দেয় ঋণৰ পৰিশোধৰ নিয়ম ঃ

মূলপাঠ ঃ অবিভক্তৈঃ কুটুম্বার্থে যদ্ ঋণং তু কৃতং ভৱেৎ।
দদ্যুস্তদ্ ৰিক্থিনঃ প্রেতে প্রোষিতে বা কুটুম্বিনি।। ৯।।

অসমীয়া অনুবাদ ঃ সংযুক্ত পৰিয়ালৰ (Joint-family) সদস্যসকলৰ বহুকেইজনে মিলিত হৈ

কুটুম্ব অর্থাৎ পৰিয়ালৰ ভৰণ-পোষণৰ বাবে যি ঋণ গ্ৰহণ কৰে, (সেইটো কুটুম্বী অর্থাৎ পৰিয়ালৰ মুৰব্বীজনে পৰিশোধ কৰিব লাগে) কুটুম্বীৰ মৃত্যু হ'লে অথবা বিদেশ গমন কৰিলে সেই ধন ভোগ কৰা সকলে (ৰিক্থিনঃ) ঋণ পৰিশোধ কৰিব।

মূলপাঠ ঃ ন য়োষিৎ পতিপুত্রাভ্যাং ন পুত্রেণ কৃতং পিতা।
দদ্যাদ্ ঋতে কুটুম্বার্থান্ন পতিঃ স্ত্রীকৃতং তথা।। ১০।।

অসমীয়া অনুবাদ ঃ আত্মীয় পোষণৰ বাহিৰে যদি অন্য কাৰণত যদি স্বামী বা পুত্রই ঋণ লয়, তেনেহ'লে স্বামীৰ ক্ষেত্রত পত্নীয়ে (য়োষিত = নাৰী) অথবা পুত্রৰ ক্ষেত্রত (য়োষিত) মাতৃয়ে ঋণ পৰিশোধ কৰিব নালাগে। এনেদৰে স্ত্রীৰ দ্বাৰা কৃত ঋণও স্বামীয়ে পৰিশোধ কৰিব নালাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সবন্ধক ঋণৰ সুদ প্রতিমাহে কিমান?

.....

.....

প্রশ্ন নং ২ ঃ উত্তমর্ণ মানে কি?

.....

.....

প্রশ্ন নং ৩ ঃ অধমর্ণ মানে কি?

.....

.....

প্রশ্ন নং ৪ ঃ অৰণ্যলৈ ব্যৱসায়ৰ বাবে যোৱা জনে কিমান সুদ দিব?

.....

.....

প্রশ্ন নং ৫ ঃ ৰিক্থিন মানে কি?

.....

.....



বৃথাদান ঃ নিষ্ফল দান। ধূর্ত্ত, বন্দী, মল্ল, কুবৈদ্য, বঞ্চক, ভাঁট আৰু চোৰ আদিক দিবলৈ প্রতিজ্ঞা কৰা দ্রব্যৰূপী ঋণ।

মূলপাঠ ঃ সুৰাকমদ্যূতকৃতং দণ্ডশুল্কাৱশিষ্টকম্।
বৃথাদানং তথৈৱেহ পুত্রো দদ্যান্ন পৈত্রিকম্।। ১১।।

অসমীয়া অনুবাদ ঃ মদ্যপান, স্ত্রীসম্ভোগ তথা দ্যূতক্রীড়া (পাশাখেল)ৰ লগত জড়িত পিতৃকৃত ঋণ, ৰাজদণ্ড স্বৰূপে পিতৃ প্রদেয় অদত্তধন (দিবলৈ বাকী থকা ধন), কন্যা দানাদি শুল্কৰ অৱশিষ্ট স্বৰূপ ধন যিটো পিতৃ প্রদেয়, তথা **বৃথাদান** বশতঃ

পিতৃকৃত ঋণ পুত্রই পৰিশোধ কৰিব নালাগে।

মূলপাঠ ঃ সোপশৌণ্ডিকশৈলূষৱজকব্যাধযোষিতাম্।
ঋণং দদ্যাৎ পতিস্তেষাং যস্মাদ্ বৃত্তিস্তদাশ্রয়া।। ১২।।

অসমীয়া অনুবাদ ঃ (১০ নং শ্লোকত কোৱা হৈছিল যে স্ত্রীৰ দ্বাৰা কৃত ঋণ পতিয়ে শোধ কৰিব নালাগে। কিন্তু কিছু কিছু ক্ষেত্রত পত্নীয়ে কৰা ঋণ পতিয়ে পৰিশোধ কৰিব লাগিব। সেই ঋণসমূহ এই শ্লোকটোত উল্লেখ কৰা হৈছে।)

গোপালক (গোপ), মদ ব্যৱসায়ী (শৌণ্ডিক), নাট্যজীৱী (শৈলুষ), ৰজক (ৰজক) আৰু ব্যাধ (ব্যাধ)— এই সকলৰ পত্নীয়ে (কাৰোবাৰ পৰা) যি ঋণ লয়, সেইবোৰ তেওঁলোকৰ পতিসকলে পৰিশোধ কৰিব। কাৰণ এইবোৰৰ জীৱিকা নির্বাহ স্ত্রীসকলৰ সাহায্যতে নির্ভৰশীল।

মূলপাঠ ঃ প্রতিপন্নং স্ত্রিয়া দেয়ং পত্যা বা সহ যৎকৃতম্।
স্বয়ং কৃতং বা যদ্ ঋণং নান্যৎ স্ত্রী দাতুম্ অর্হতি।। ১৩।।

অসমীয়া অনুবাদ ঃ (স্বামীৰ মৃত্যু হ'লে অথবা প্রবাস যাত্রাকালত) স্ত্রী যদি পতিকৃত ঋণ পৰিশোধ কৰাৰ অঙ্গীকাৰ কৰে, তেনেহ'লে তাক পৰিশোধ কৰিব লাগিব। স্বামী-স্ত্রী মিলিতভাৱে যি ঋণ লয়, তাকো পত্নীয়েই পৰিশোধ কৰিব লাগিব। পত্নীয়ে নিজে যি ঋণ লয়, তাৰো পৰিশোধ পত্নীয়ে কৰিব। ইয়াৰ বাহিৰে আন কোনো ঋণ পত্নীয়ে পৰিশোধ কৰিবলৈ বাধ্য নহয়।

মূলপাঠ ঃ পিতৰি প্রোষিতে প্রেতে ব্যসনাভিপ্লুতেঽপি বা।
পুত্রপৌত্রৈঃ ঋণং দেয়ং নিহ্নৱে সাক্ষি ভাৱিতম্।। ১৪।।

অসমীয়া অনুবাদ ঃ পিতৃয়ে যদি স্বকৃত ঋণ পৰিশোধ নকৰাকৈ বিদেশ গমন কৰে (প্রোষিতে), মৃত্যুবৰণ কৰে (প্রেতে), অথবা অচিকিৎসনীয় কোনো ব্যাধিৰ দ্বাৰা বিপদাপন্ন হয়, তেনেহ'লে পুত্র তথা পৌত্র অর্থাৎ নাতিয়ে সেই ঋণ পৰিশোধ কৰিব। পুত্র অথবা পৌত্রই যদি সেই ঋণ দিবলৈ অস্বীকাৰ কৰে তথা উত্তমর্ণই যদি সাক্ষী আদিৰ দ্বাৰা ঋণ লোৱাৰ প্রমাণ দিয়ে, তেনেহ'লে সেই পুত্র তথা পৌত্রই অৱশ্যেই পৰিশোধ কৰিব লাগিব। ঋণ পৰিশোধৰ ক্রমটো এনেধৰণৰ— পিতাৰ অভাৱে পুত্র, পুত্রৰ অভাৱে পৌত্রই ঋণ পৰিশোধ কৰাৰ নিয়ম (পিত্রভাৱে পুত্রঃ পুত্রাভাৱে পৌত্র ইতি)।

মূলপাঠ ঃ ৰিক্থগ্রাহ ঋণং দাপ্যো য়োষিদ্ গ্রাহস্তথৈৰ চ।
পুত্রোঽনন্যাশ্রিতদ্রব্যঃ পুত্রহীনস্য ৰিক্থিনঃ।। ১৫।।

সন্ধি-বিচ্ছেদ ঃ ... য়োষিদ্গ্রাহঃ + তথা + এৱ ... পুত্রো + অনন্যাশ্রিত দ্রব্যঃ।

অসমীয়া অনুবাদ ঃ (পুর্বশ্লোকত কোৱা হৈছে যে ঋণশোধ কৰাৰ অধিকাৰী তিনিজন— ঋণকাৰী (অর্ধমর্ণ), তেওঁৰ পুত্র তথা তেওঁৰ পৌত্র। এই তিনিজনৰ বর্তমানত কি হিচাপে ঋণ পৰিশোধ কৰা হ'ব, তাকো কোৱা হৈছে। যদি ঋণ পৰিশোধৰ আৰু

কোনো অধিকাৰী থাকে, তাৰ ক্রমটো কি হ'ব, সেই কথাটো এই শ্লোকটোত কোৱা হৈছে।)

ৰিক্থগ্রাহী অর্থাৎ সম্পত্তিৰ উত্তৰাধিকাৰী ব্যক্তিয়ে ঋণকাৰীৰ ঋণ পৰিশোধ কৰিব লাগিব। য়োষিদ্গ্রাহী অর্থাৎ আনৰ স্ত্রীক যিজনে নিজৰ স্ত্রীৰূপে গ্রহণ কৰিছে, তেওঁ তেওঁৰ ভার্য্যাৰ পূর্বৰ স্বামীৰ কৃত ঋণ পৰিশোধ কৰিব। আনহাতে পুত্র যদি অনন্যাশ্রিতদ্রব্য হয়, তেওঁ পিতৃৰ ঋণ পৰিশোধ কৰিব। মাক-দেউতাকৰ দ্রব্য (সম্পত্তি) যদি অন্যাশ্রিত হয় অর্থাৎ পুত্রক দিয়া হয়, তেনেহ'লে পুত্র হ'ল 'অন্যাশ্রিতদ্রব্য'। ন অন্যাশ্রিত দ্রব্যঃ = অনন্যাশ্রিত দ্রব্যঃ, অর্থাৎ যি পুত্রই মাতা-পিতাৰ দ্রব্য (সম্পত্তি) পোৱা নাই, তেওঁ হ'ল অনন্যাশ্রিতদ্রব্য'। এনেকুৱা পুত্রয়ো ঋণ পৰিশোধত সমর্থ হ'লে পিতৃ ঋণ পৰিশোধ কৰিব। তাৰোপৰি পুত্রহীন ব্যক্তিৰ ঋণ, তেওঁৰ সম্পত্তিভোগী ব্যক্তিয়ে পৰিশোধ কৰিব। এই শ্লোকটিত ঋণ পৰিশোধকাৰীসকলৰ ক্রম এনেদৰে কোৱা হৈছে— প্রথমে ৰিক্থগ্রাহ, তেওঁৰ অভাবত যোষিদ্গ্রাহ, তেওঁৰ অভাবত পুত্রই, তথা তেওঁৰ অভাৱত সম্পত্তিৰ উত্তৰাধিকাৰীয়ে ঋণ পৰিশোধ কৰিব।



জানি থোৱা ভাল

ৰিক্থগ্রাহী ঃ আনৰ ধন-সম্পত্তি ক্রয়-বিক্রয় নকৰাকৈয়ে যদি কোনোবাই পায়, সেই ধনকেই 'ৰিক্থ' বুলি কোৱা হয়। ধন বিভাজনৰ মাধ্যমেৰে যিয়ে এই 'ৰিক্থ' গ্রহণ কৰে, তেওঁক ৰিক্থগ্রাহী (one who inherits the property) বুলি কোৱা হয়। (অন্যদীয়ং দ্রব্যম্ অন্যাস্য ক্রয়াদিব্যতিৰে কেণ যৎ স্বীয়ং ভৱতি তদ্ ৰিক্থম্। বিভাগাদ্ ৰিক্থং গৃহ্নাতি ইতি ৰিক্থগ্রাহঃ।)

বিশেষ বিশেষ ব্যক্তিৰ ঋণ গ্রহণ নিষিদ্ধ ঃ

মূলপাঠ ঃ ভ্রাতৃণামথ দমপত্যোঃ পিতুঃ পুত্রস্য চৈৱ হি।
প্রাতিভাৱ্যম্ ঋণং সাক্ষম্ অবিভক্তে ন তু স্মৃতম্।। ১৬।।

অসমীয়া অনুবাদ ঃ ভাতৃসকলৰ মাজত, পতি আৰু পত্নীৰ মাজত, পিতা আৰু পুত্রৰ মাজতযদি সম্পত্তি অবিভাজ্য হৈ থাকে, তেনেহ'লে এওঁলোকৰ মাজৰ কোনো এজনেই প্রতিভূ অর্থাৎ জামিন (surety) থকা, ঋণ গ্রহণ কৰা অথবা সাক্ষ্যদান আদি কামসমূহ কৰিব নোৱাৰিব।

প্রতিভূত্ব নিৰূপণ (Guarantor) ঃ

মূলপাঠ ঃ দর্শনে প্রত্যয় দানে প্রাতিভাৱ্যং বিধীয়তে।
আদ্যৌ তু বিতথে দাপ্যাবিতৰস্য সুতা অপি।। ১৭।।

অসমীয়া অনুবাদ ঃ অভিযুক্তক আনি দেখুওৱা, কোনো বিষয়ত বিশ্বাস জন্মোৱা তথা দানৰ ক্ষেত্ৰত প্ৰতিভূত্ব (জামিনদাৰ) স্বীকাৰ কৰা হয়। ইয়াৰে ভিতৰত প্ৰথম দুটাৰ ক্ষেত্ৰত প্ৰতিভূৰ কথা মিছা প্ৰতিপন্ন হ'লে (প্ৰতিভূ দৰ্শনত আৰু প্ৰত্য বিষয়ত ব্যৰ্থ হ'লে) ৰজাই প্ৰতিভূৰ দ্বাৰা উত্তমৰ্ণক ধন প্ৰদান কৰাব। তৃতীয় ক্ষেত্ৰত (দানৰ ক্ষেত্ৰত প্ৰতিভূ ব্যৰ্থ হ'লে) প্ৰয়োজন সাপেক্ষে প্ৰতিভূৰ পুত্ৰও ধন ঘূৰাই দিবলৈ বাধ্য থাকিব।

'প্ৰাতিভাব্য' শব্দটো 'প্ৰতিভুৱো ভাৱঃ প্ৰাতিভাব্যম্' এই ব্যুৎপত্তি অনুসাৰে নিষ্পন্ন হৈছে। প্ৰতিভূত্ব (প্ৰাতিভাব্য) হ'ল বিশ্বাস জন্মোৱাৰ কাৰণে অন্য ব্যক্তিৰ লগত কৰা চুক্তি। এই প্ৰাতিভাব্য তিনি প্ৰকাৰৰ— দৰ্শন, বিশ্বাস আৰু দান। যদি কোনো ক্ষেত্ৰত কোনো ব্যক্তিয়ে অভিযুক্ত বা অন্য কাৰোবাক দৰ্শনৰ প্ৰয়োজন অনুভৱ কৰে, তেতিয়া 'মই তেওঁক তোমাৰ সম্মুখত উপস্থিত কৰাম' এই বুলি কোৱা জনক দৰ্শন প্ৰতিভূ বুলি আখ্যা দিয়া হয়। দ্বিতীয় প্ৰকাৰৰ প্ৰতিভূ হৈছে প্ৰত্যয় প্ৰতিভূ। আনৰ বিশ্বাস উৎপন্নৰ বাবে এই প্ৰতিভাব্যই নিজকে উপস্থাপিত কৰে। যেনে— 'আমাক বিশ্বাস কৰি এই ব্যক্তিক ঋণ হিচাপে ধন দান কৰক। এই ব্যক্তিয়ে আপোনাক বঞ্চনা নকৰে, কাৰণ এওঁ হ'ল অমুক বিখ্যাত ব্যক্তিৰ পুত্ৰ, এওঁৰ মাটি খুবেই উৰ্বৰ।' দান বিষয়ক 'প্ৰতিভাব্য' তৃতীয় প্ৰকাৰৰ। দানৰ ক্ষেত্ৰত প্ৰতিভূই কয়— 'এই ব্যক্তিজনে যদি ধন ঘূৰাই নিদিয়ে, তেনেহ'লে ময়েই সেই ধন ঘূৰাই দিম।'

মূলপাঠ ঃ দৰ্শন প্ৰতিভূযৰ্ত্ৰ মৃতঃ প্ৰত্যেয়িকো২পি বা।
ন তৎপুত্ৰা ঋণং দদ্যুঃ দদ্যুৰ্দানায় য়ে স্থিতাঃ।। ১৮।।

অসমীয়া অনুবাদ ঃ দৰ্শন প্ৰতিভূ বা প্ৰত্যয় প্ৰতিভূ যদি পৰলোক গমন কৰে, তেনেহ'লে তেওঁৰ পুত্ৰসকলে সেই সংশ্লিষ্ট ধন (ঋণ) পৰিশোধ কৰিব নালাগে। কিন্তু দান প্ৰতিভূ কৰিলে তৎসংশ্লিষ্ট ঋণ তেওঁৰ পুত্ৰই পৰিশোধ কৰিবলৈ বাধ্য।

আধি (mortgaged article) নিৰূপণ ঃ

মূলপাঠ ঃ আধিঃ প্ৰণশ্যেদ্ দ্বিগুণে ধনে যদি ন মোক্ষ্যতে।
কালে কালকৃতো নশ্যেৎ ফলভোগ্যো ন নশ্যতি।। ১৯।।

অসমীয়া অনুবাদ ঃ অধমৰ্ণক প্ৰদত্ত ঋণৰ ধন যদি সুদসহ দ্বিগুণ হৈ যায়, তেতিয়াও যদি অধমৰ্ণই টকা ঘূৰাই দি নিজকৃত আধি (বন্ধকীকৃত দব্য, mortgage) মুক্ত কৰি নিনিয়ে, তেনেহ'লে সেই আধিত তেওঁৰ স্বত্ব নাশ হৈ যাব। নিৰ্দিষ্ট সময় জনিত কৃত আধি সময়সীমা পাৰ হ'লে নষ্ট হ'ব, অৰ্থাৎ অধিকাৰ নোহোৱা হৈ যাব। কিন্তু যাৰ ফল ভোগ কৰা যায়, যেনে— উদ্যান, ভূমি আদি, এইবোৰৰ আধি নষ্ট হৈ নাযায়।

টোকা ঃ ধন প্ৰয়োগৰ ক্ষেত্ৰত বিশ্বাসৰ দুটি হেতু হৈছে— প্ৰতিভূ (surety) আৰু

আধি (mortgage)। প্রতিভূ সম্বন্ধে ইয়াৰ আগতে আলোচনা কৰা হৈছে। যি আধান কৰা হয় অথবা বন্ধক স্বৰূপে ৰখা হয়, তাকেই 'আধি' বুলি কোৱা হয়। অধমর্ণৰ দ্বাৰা ঋণ স্বৰূপে লোৱা ধনৰ ওপৰত উত্তমর্ণৰ বিশ্বাস স্থাপনৰ বাবে, অধমর্ণৰ যি বস্তু অধিকাৰত লোৱা হয়, সেয়াই 'আধি'। 'আধির্নাম গৃহীতস্য দ্রব্যস্য উপৰি বিশ্বাসার্থম্ অধমর্ণেন উত্তমর্ণো২ধিক্রিয়তে। আধীয়তে ই আধিঃ।' এই আধি দুই প্রকাৰৰ— (১) কৃতকাল অর্থাৎ নির্ধাৰিত সময়ৰ বাবে বিহিত আধি তথা (২) অকৃতকাল অর্থাৎ সময় নির্দিষ্ট নথকা আধি। কৃতকাল আধিৰ ক্ষেত্রত নির্ধাৰিত সময়ৰ ভিতৰত ঋণ পৰিশোধ কৰিলে উত্তমর্ণই অধমর্ণক আধি ঘুৰাই দিব। অন্যথা এই আধিত অধমর্ণৰ কোনো স্বত্ব নাথাকিব। অকৃতকাল আধিত কোনো সময় নির্দেশ নথকা বাবে ঋণ পৰিশোধ নকৰা পর্যন্ত আধি উত্তমর্ণৰ কাষতেই থাকে। এই দুই প্রকাৰৰ আধি আকৌ দুই প্রকাৰত বিভক্ত— গোপ্য আৰু ভোগ্য। গোপ্য আধিক উত্তমর্ণই ৰক্ষা কৰিব, ভোগ কৰিব নোৱাৰিব। কিন্তু ভোগ্য আধি, যেনে গৃহক্ষেত্র আদিৰ ফল উত্তমর্ণই ভোগ কৰিব। এনেদৰে আধি হৈছে চাৰি প্রকাৰৰ।

মূলপাঠ ঃ গোপ্যাধিভোগে নো বৃদ্ধিঃ সোপকাৰে২থ হাপিতে।
নষ্টো দেয়ো বিনষ্টশ্চ দৈৱৰাজকৃতাদ্ ঋতে।। ২০।।

অসমীয়া অনুবাদ ঃ গোপ্য আধি ৰক্ষণীয়, উপভোগ্য নহয়। কিন্তু যদি উত্তমর্ণই সেই আধি ভোগ কৰে, তেনেহ'লে ঋণৰ সুদ ল'ব নোৱাৰিব। ভাৰবহনৰ দ্রাবাৰ উপকাৰী বলধ, দুগ্ধদানকাৰী গাই গৰু, তামৰ কড়া প্রভৃতি ভোগ্য (সোপকাৰ) সবৃদ্ধিক আধি যদি ব্যৱহাৰ অযোগ্য হয় (হাপিত), তেনেহ'লে কোনো সুদ দিব নালাগে। কিন্তু আধি যদি নষ্ট হৈ যায়, (বিকৃত হয় অথবা ছিদ্র আদি দেখা দিয়ে) তেনেহ'লে তাক পূর্বৰ দৰে তৈয়াৰ কৰি দিব লাগিব। আধি বিনষ্ট অর্থাৎ জড়মূলৰ পৰাই যদি বিনাশ হয়, তেনেহ'লে তাৰ মূল্য দিব লাগিব। কিন্তু দৈৱবশতঃ অথবা ৰাজৰোষবশতঃ যদি আধি নষ্ট হয়, তেনেহ'লে তাৰ মূল্য উত্তমর্ণই দিব নালাগে। অধমর্ণক সবৃদ্ধিক মূল্য দিব লাগিব অথবা অন্য আধি স্থাপন কৰিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ গোপালকসকলৰ পত্নীৰ ঋণ কোনে দিব?

.....

.....

প্রশ্ন নং ৭ ঃ পিতৃৰ মৃত্যু হ'লে ঋণ কোনে পৰিশোধ কৰিব?

.....

.....

প্ৰশ্ন নং ৮ ঃ প্ৰতিভূ মানে কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ সাক্ষদানৰ কাম কোনে কৰিব নোৱাৰিব?

.....

.....

প্ৰশ্ন নং ১০ ঃ আধি মানে কি?

.....

.....

১২.৪ ঋণাদান (Law of Debt) ঃ সংক্ষিপ্ত আলোচনা

যাজ্ঞৱল্ক্য স্মৃতিৰ ব্যৱহাৰ অধ্যায়ত প্ৰথমতে সাধাৰণ ব্যৱহাৰ মাতৃকা আৰু অসাধাৰণ ব্যৱহাৰ মাতৃকা আলোচনা কৰা হৈছে। এই সংহিতাৰ দ্বিতীয় অধ্যায়ত মুঠ ২৫টা প্ৰকৰণত ২০টা ব্যৱহাৰ পদৰ (titles of the law) আলোচনা কৰা হৈছে। এই ২০টা ব্যৱহাৰ পদৰ ভিতৰত ঋণাদান (recovary of debts) প্ৰথমে আলোচিত হৈছে।

ঋণাদান শব্দটোত দুটা শব্দ আছে ঋণ + আদান অথবা ঋণ + অদান। ঋণদান কৰাৰ পিছত সেইটোৰ 'আদান' বা আদায় কৰাব উপায় যেনেদৰে এই অধ্যায়ত আলোচিত হৈছে, তেনেদৰে ঋণৰ ধন অধমৰ্ণই (যিয়ে ঋণ গ্ৰহণ কৰে) পৰিশোধ নকৰিলে (অদান) তাৰ প্ৰাপ্য দণ্ডৰ বিষয়েও ইয়াত আলোচিত হৈছে। ঋণ আদায়ৰ ক্ষেত্ৰত যাজ্ঞৱল্ক্যতকৈ মনুৰ মনোভাৱ বেছি কঠোৰ যেন লাগে। তেওঁ কৈছে—

'ধৰ্মেণ ব্যৱহাৰেণ ছলেনাচৰিতেন চ।
প্ৰযুক্তং মাধয়েদৰ্থং পঞ্চমেন বলেন চ।।'

(মনুসংহিতা, ৮।৪৯)

অৰ্থাৎ ধৰ্মৰ দ্বাৰা অৰ্থাৎ সদুপদেশ আদি মাধ্যমত, ব্যৱহাৰ অৰ্থাৎ বিচাৰ-প্ৰক্ৰিয়াৰ মাধ্যমেৰে, ছলনা বা কৌশলেৰে, আচৰণ অৰ্থাৎ অধমৰ্ণৰ স্ত্ৰী-পুত্ৰক ধৰি অথবা তেওঁলোকৰ পথ অৱৰোধ কৰি তথা বলেৰে যেনেতেনে উত্তমৰ্ণই (যিজনে ঋণ দিয়ে) অধমৰ্ণৰ পৰা প্ৰাপ্য আদায় কৰিব।

আচাৰ্য্য নাৰদে 'নাৰদস্মৃতি' গ্ৰন্থত ঋণ দিয়া আৰু লোৱাৰ সাত প্ৰকাৰৰ নিয়ম উল্লেখ কৰিছে— (১) দেয় (কি প্ৰকাৰেৰে ঋণ পৰিশোধ কৰা উচিত), (২) অদেয় (কোনবোৰ ঋণ পৰিশোধ কৰাৰ অযোগ্যঃ, (৩) যেন (কোন ঋণদানৰ অধিকাৰী, (৪) যত্ৰ (কোন সময়ত ঋণ পৰিশোধ কৰিব লাগিব, (৫) যথা (কি ভাবে বা প্ৰকাৰে ঋণ পৰিশোধ কৰা হ'ব— এই পাঁচটা

নিয়ম বা অংশ অধমর্ণৰ কাৰণে বিহীত হৈছে। উত্তমর্ণৰ কাৰণে থকা নিয়ম দুটা হৈছে— (৬) দান বিধি, (৭) আদান অর্থাৎ গ্রহণ বিধি।

'ঋণং দেয়মদেয়ঞ্চ যেন যত্রযথা চ যৎ।
দানগ্রহণধর্মাভ্যামৃণাদানমিতি স্মৃতম্।।'

(নাৰদ স্মৃতি, ১/১/৪)

আচার্য্য যাজ্ঞৱল্ক্যই প্রথম প্রকৰণত প্রথমতে ঋণৰ বৃদ্ধি বা সুদৰ হাৰৰ বিষয়ে আলোচনা কৰিছে। সবন্ধক ঋণৰ ক্ষেত্রত উত্তমর্ণই ঋণৰূপে প্রদত্ত দ্রব্যৰ আশীভাগৰ এভাগ সুদ হিচাপে গ্রহণ কৰিব। অবন্ধক ঋণৰ ক্ষেত্রত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্রৰ পৰা যথাক্রমে শতকৰা দুই, তিনি, চাৰি আৰু পাঁচভাগ সুদ গ্রহণ কৰিব। যিসকল বণিকে ঋণ লৈ অধিক লাভৰ আশাত গভীৰ অৰণ্যত ব্যৱসায় কৰে, তেওঁলোকে শতকৰা দহভাগ সুদ দিব।

বহু ক্ষেত্রত কোনো দ্রব্য বন্ধকত ৰাখিও ঋণ লোৱা হয়। সেই ক্ষেত্রতো কিছু নিয়ম আছে। যি স্ত্রী পশুক বন্ধক ৰখা হৈছে, তাৰ পোৱালীটোক উত্তমর্ণই সুদ হিচাপে নিব। কাপোৰ বন্ধকত থাকিলে সুদ তিনিগুণ বা দ্বিগুণ হয়। অধমর্ণই যদি ঋণ পৰিশোধৰ অঙ্গীকাৰ কৰি পিছত পৰিশোধ নকৰে, তেনেহ'লে উত্তমর্ণই ধর্মানুসৰি সেইটো আদায় কৰিব।

ৰজাই অধমর্ণৰ দ্বাৰা উত্তমর্ণৰ অর্থ পৰিশোধ কৰাৰ সময়ত দেয় টকাৰ শতকৰা দহভাগ দণ্ডৰূপে গ্রহণ কৰিব। উত্তমর্ণয়ো শতকৰা পাঁচভাগ ভৃতি অর্থাৎ বিচাৰৰ খৰচ হিচাপে ৰজাক দিব। অধমর্ণ হীনজাতি তথা নির্ধন হ'লে ব্রাহ্মণাদি উচ্চবর্ণৰ উত্তমর্ণই তেওঁৰ দ্বাৰা কর্ম কৰিব। আৰু অধমর্ণ যদি ধনহীন ব্রাহ্মণ হয়, তেনেহ'লে তেওঁৰ পৰা উত্তমর্ণই লাহে লাহে প্রাপ্য ধন আদায় কৰিব। অধমর্ণই ঋণ পৰিশোধ কৰিব বিচাৰিলেও যদি উত্তমর্ণই অধিক সুদ লাভৰ আশাত সেইটো গ্রহণ নকৰে, তেনেহ'লে সেই ধন মধ্যস্থকাৰীৰ হাতত অর্পিত হ'ব আৰু তাৰ কোনো সুদ নহ'ব।

পিতৃ ঋণ সাধাৰণতে পুত্রই পৰিশোধ কৰে। কিন্তু কিছু ক্ষেত্রত ইয়াৰো ব্যতিক্রম দেখিবলৈ পোৱা যায়। পিতৃয়ে যদি সুৰাপান, কামসম্ভোগ, পাশাখেল, পণ আদি দিয়াৰ কাৰণে ঋণ কৰে, তেনেহ'লে, সেই ঋণ পুত্রই পৰিশোধ কৰিব নালাগে। ৰাজদণ্ডৰূপে যি ধন দেয়, কন্যাদানৰ শুল্কৰূপ অর্থ, ধূর্ত্তক অযথা দিবলগীয়া অর্থও পুত্রই পৰিশোধ কৰিব নালাগে। পত্নীকৃত ঋণ পতিয়ে পৰিশোধ কৰিব নালাগে। কিন্তু গোপাল, সুৰাবিক্রেতা, নাট্যজীৱি, ৰজক আৰু ব্যাধৰ পত্নীকৃত ঋণ পতিয়ে পৰিশোধ কৰিব লাগিব। কাৰণ এওঁলোকৰ পত্নীয়েও পতিৰ জীৱিকাত সহায় কৰে। তাৰোপৰি স্ত্রী যদি পতিকৃত ঋণ পৰিশোধ কৰাৰ অঙ্গীকাৰ কৰে, তেনেহ'লে তেওঁ সেইটো পৰিশোধ কৰিব। যি স্বামী আৰু স্ত্রীয়ে একেলগে গ্রহণ কৰিছে, পতিৰ মৃত্যু হ'লেও পত্নীয়ে সেই ঋণ পৰিশোধ কৰিব। আৰু স্ত্রীয়ে নিজৰ কাৰণে কৰা ঋণ অৱশ্যে শোধ কৰিব। পিতৃয়ে যদি ঋণ পৰিশোধ নকৰি বিদেশ যায়, অথবা বিপদগ্রস্ত হয় অথবা মৃত হয়, তেনেহ'লে সেই ঋণ পুত্র তথা পৌত্রসকলে অৱশ্যে পৰিশোধ কৰিব। তেওঁলোকে সেই ঋণ অস্বীকাৰ কৰিলে সাক্ষীৰ দ্বাৰা তাক প্রমাণিত কৰি উত্তমর্ণই সেই ধন গ্রহণ কৰিব পাৰে।

ঋণাদানৰ ক্ষেত্ৰত প্ৰতিভূ বা জামিদাৰ আৰু আধিৰ বৰ্ণনাও কৰা হৈছে। যি ধন আধিৰূপে ৰাখি ঋণ দিয়া হৈছে, সি যদি সুদসহ দ্বিগুণ হয়, তেনেহ'লে সেই আধিত অধমৰ্ণৰ কোনো স্বত্ব নাথাকিব। কিন্তু ফলযুক্ত ভূমি, উদ্যান প্ৰভৃতিৰ ক্ষেত্ৰত সময় অতিক্ৰান্ত হ'লেও অধমৰ্ণৰ স্বত্ব নহয়। গোপ্য আধি যদি উত্তমৰ্ণই ভোগ কৰে, তেনেহ'লে এই ক্ষেত্ৰত অধমৰ্ণই কোনো সুদ দিব নালাগে। ইয়াৰোপৰি বলধ প্ৰভৃতি পশুৰ ক্ষেত্ৰতো সুদ এৰি দিয়া হ'ব। ভোগ্য আধিৰ ক্ষেত্ৰত আধিভোগ কালত যদি সি বিকৃত বা নষ্ট হয়, তেনেহ'লে উত্তমৰ্ণই তাৰ মূল্য দিব লাগিব। কিন্তু সেই আধি যদি দৈৱক্ৰমে নষ্ট হয় বা ৰাষ্ট্ৰবিপ্লৱবশতঃ নষ্ট হয়, তেনেহ'লে উত্তমৰ্ণই মূল্য দিব নালাগে। সেই ক্ষেত্ৰত অধমৰ্ণই অন্য আধি ৰাখিব তথা তেওঁ মূল আৰু সুদ দুয়োটাই দিব লাগিব।



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্ৰাচীন ভাৰতীয় বিচাৰ ব্যৱস্থাৰ লগত পৰিচয় হ'ব পাৰিলে।
- যাজ্ঞৱল্ক্যস্মৃতিত থকা ব্যৱহাৰৰ বিষয়সম্পৰ্কে অৱগত হ'ল।
- ঋণদান তথা ঋণ-আদান প্ৰক্ৰিয়াটোৰ লগত চিনাকী হ'ব পাৰিলে।
- ঋণদানৰ ভিন্ন সুদ ব্যৱস্থাৰ বিষয়ে জানিব পাৰিলে।
- দেয়-অদেয় সুদ সম্বন্ধে জ্ঞাত হ'ব পাৰিলে।
- প্ৰতিভূ, আধি আদি বিষয়ৰ জ্ঞান লাভ কৰিলে।



১২.৬ অধিক জানিবলৈ

১) বসু (ন্যায়তীৰ্থ), সুমিতা, (১৪০৭ সাল), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, কোলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

২) ঝা, (ড°) শশিনাথ (সম্পাদিত), (২০০২), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, দিল্লী ঃ ভাৰতীয় বিদ্যা প্ৰকাশন।

৩) Panda, (Dr.) R. K. (ed.), (2011). *Yajnavalkya-Samhita,* Delhi : Bharatiya Kala Prakashan.



১২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আশীভাগৰ এভাগ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ঋণ দিয়া জন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ঋণ গ্ৰহণ কৰোঁতাজন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শতকৰা দহ ভাগ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ উত্তৰাধিকাৰীসূত্ৰে লাভ কৰা ধন ভোগ কৰোঁতা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ গোপালকৰ পত্নীৰ স্বামীয়ে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ পুত্ৰ অথবা পৌত্ৰই।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ জামিনদাৰ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিভূৱে।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ বন্ধকীকৃতদ্ৰব্য।



১২.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ অবন্ধক ঋণৰ ক্ষেত্ৰত ব্ৰাহ্মণৰ সুদ কিমান?

প্ৰশ্ন ২ ঃ কাৰিতা বৃদ্ধি কি?

প্ৰশ্ন ৩ ঃ সমুদ্ৰলৈ ব্যৱসায়ৰ বাবে যোৱাজনে কিমান সুদ দিব?

প্ৰশ্ন ৪ ঃ কুটুম্বীৰ মৃত্যু হ'লে কোনে ঋণ পৰিশোধ কৰিব?

প্ৰশ্ন ৫ ঃ দৰ্শন প্ৰতিভূৱে কি কৰে?

(খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ উত্তমৰ্ণ আৰু অধমৰ্ণ কি? সংক্ষেপে লিখক।

প্ৰশ্ন ২ ঃ সুদ কেইপ্ৰকাৰৰ আৰু কি কি?

প্ৰশ্ন ৩ ঃ কি কি ঋণ পুত্ৰই পৰিশোধ কৰিব নালাগে।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ঋণাদানৰ বিষয়বস্তু সংক্ষেপে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰতিভূৰ ভূমিকা কি আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ কি কি ঋণ পত্নীয়ে প্ৰদান কৰিব নালাগে।

প্ৰশ্ন ৪ ঃ ১৪ নং শ্লোকটোৰ ব্যাখ্যা আগবঢ়াওক।

*** ***** ***